অসম

জুবিন গার্গৰ ৰেঞ্জ ৰ'ভাৰ ক্রয় কৰিছে আজাৰাৰ সোণমনি দাসে

জুবিন গার্গৰ মৰমৰ ৰেঞ্জ ৰ'ভাৰ বাহনখন আজাৰাৰ সোণমনি দাসে ক্রয় কৰিছে বুলি জানিব পৰা গৈছে। জুবিন গার্গক ভাল পোৱাৰ বাবেই বাহনখন ক্রয় কৰা বুলি তেওঁ জনাইছে।

প্রকাশ: ২০ নৱেম্বৰ ২০২৬, আবেলি ৫:২০



Zubeen Garg's Range Rover (Internet)

জুবিন গার্গৰ অতিকৈ মৰমৰ ৰেঞ্জ ৰ'ভাৰ বাহনখন বিক্রী হোৱাৰ ঘটনাক লৈ সামাজিক মাধ্যমত চর্চা চলিছে। শিল্পীগৰাকীয়ে সপোনৰ বাহন বুলি উল্লেখ কৰা গাড়ীখন কোনে ক্রয় কৰিলে, তাক লৈ অনুৰাগীসকলৰ মাজত কৌতূহল সৃষ্টি হৈছিল।

খবৰ অনুসৰি, আজাৰাৰ সোণমনি দাস নামৰ এগৰাকী যুৱকে বাহনখন ক্রয় কৰিছে। গাড়ীখন ক্রয় কৰাৰ কাৰণ সন্দর্ভত সোণমনি দাসে কয়, “গাড়ী বুলি নহয়, দাদাক ভাল পাওঁ কাৰণে গাড়ীখন ক্রয় কৰিছোঁ।”

এএছ-০১-জিএ-৯৯৯৯ নম্বৰৰ এই ৰেঞ্জ ৰ'ভাৰ বাহনখন জুবিন গার্গে ক্রয় কৰিছিল। বিভিন্ন মঞ্চত তেওঁ বাহনখনক নিজৰ সপোনৰ গাড়ী বুলি উল্লেখ কৰিছিল।

খবৰ অনুসৰি, জুবিন গার্গৰ ৫৪সংখ্যক জন্মদিনৰ পিছদিনাই বাহনখন বিক্রী কৰা হৈছিল। এই সন্দর্ভত এতিয়ালৈকে পৰিয়ালৰ ফালৰ পৰা কোনো আনুষ্ঠানিক মন্তব্য দিয়া হোৱা নাই।

© 2026 NewzNow

বাহনখন বিক্রী হোৱাৰ খবৰ বিয়পি পৰাৰ পাছত বহু অনুৰাগীয়ে দুখ প্ৰকাশ কৰিছে। আনহাতে, একাংশ লোকে ইয়াক পৰিয়ালৰ একান্ত ব্যক্তিগত সিদ্ধান্ত বুলি মন্তব্য কৰি বিষয়টোক লৈ প্ৰশ্ন তোলাটো উচিত নহয় বুলি মত দিছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4703/jubin-gag-enj-va-sonmni-das